# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 02-02-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::**

১। অসম সাহিত্য সভাৰ নতুন সভাপতি হিচাপে পাঠশালা অধিবেশনত ডঃ বসন্ত কুমাৰ গোস্বামীৰ দায়িত্ব গ্ৰহণ।

২। সাহিত্য সভাই জাতীয়তাবাদ আৰু অৰ্থনৈতিক জাতিয়তাবাদৰ সৃষ্টি কৰিব লাগিব বুলি সভাপতিৰ অভিভাষণত ড০ বসন্ত কুমাৰ গোস্বামীৰ মন্তব্য।

৩। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাৰ এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ এখন প্ৰস্তুতি বৈঠকত অংশগ্ৰহণ।

৪। ১৯ বছৰ অনুৰ্ধ মহিলাৰ আই চি চি ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতৰ খিতাপ জয়। *আৰু*

৫। ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ ভাৰোত্তোলক মৃদুস্মিতা বৰুৱাৰ আজি ৰূপৰ পদক অৰ্জনৰ। ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ পদক ১৩ টালৈ বৃদ্ধি।

০০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি তৃতীয় দিন। পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত আজি সাহিত্য সভাৰ নতুন সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীক ময়ুৰপংক্ষী ৰথত লৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। পদ্মভূষণ স্বীকৃতি প্ৰাপ্ত নৃত্যাচাৰ্য্য যতীন গোস্বামীয়ে সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ অন্তত সাহিত্য সভাৰ পাঠশালা অধিবেশনৰ মুকলি সভা অনুষ্ঠিত হয়। সাহিত্যিক ফনীন্দ্ৰ কুমাৰ দেবচৌধুৰীয়ে প্ৰথমখন মুকলি সভা উদ্বোধন কৰে। ইয়াৰ পাছতে অসম সাহিত্য সভাৰ সভাপতি ডঃ সূৰ্যকান্ত হাজৰিকাই নতুন সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীক আদৰণি জনাই সভাপতিৰ দায়িত্ব অৰ্পন কৰে। ডঃ গোস্বামীয়ে সভাপতিত্ব কৰা প্ৰথমখন মুকলি সভাত আদৰণি সমিতিৰ সভাপতি হিচাপে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আদৰণি ভাষণ আগবঢ়ায়। মুকলি সভাত সাহিত্য সভাৰ নতুন সভাপতি বসন্ত কুমাৰ গোস্বামীয়ে আগবঢ়োৱা অভিভাষণত অসম সাহিত্য সভাই নবীন প্ৰবীন সকলোকে একেলগে লৈ আগবাঢ়িব লাগিব বুলি মন্তব্য কৰে। লগতে সাহিত্য সভাত কোনো নেতাৰ স্থান নাই বুলি উল্লেখ কৰি ডঃ গোস্বামীয়ে কয়, যে ভাষিক উন্মাদনাই অসমীয়া ভাষা জীয়াই ৰাখিব নোৱাৰে। সাহিত্য সভাই জাতীয়তাবাদ আৰু অৰ্থনৈতিক জাতীয়তাবাদৰ সৃষ্টি কৰিব লাগিব আৰু ইয়াৰ বাবে সাহিত্য সভাৰ ভাষাসমূহ অধিক শক্তিশালী কৰি তুলিব লাগিব। সময়ে সময়ে অসমত পাঠকৰ অভাৱ বুলি হোৱা সমালোচনা সন্দৰ্ভত মন্তব্য কৰি ডঃ গোস্বামীয়ে কয়, যে পাঠক সন্দৰ্ভত আজিলৈ জৰীপ হোৱা নাই। কোনবোৰ লেখাৰ প্ৰতি পাঠক উৎসুক সেয়াও স্পষ্ট নহয়। শিশুসকলক মাতৃভাষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ সাহিত্য সভাই অনাগত দুটা বছৰ কাম কৰিব বুলিও ড০ গোস্বামীয়ে অভিভাষণত মন্তব্য কৰে। প্ৰশাসনিক ক্ষেত্ৰত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈও ডঃ গোস্বামীয়ে আহ্বান জনায়। ডঃ গোস্বামীয়ে লগতে কয়, যে ইউনিকোডত অসমীয়া ভাষা প্ৰতিস্থিত কৰিবলৈ এটা দল গঠন কৰিব লাগিব। ২০২৫ বৰ্ষতো চৰকাৰে গ্ৰন্থ বৰ্ষ হিচাপে ঘোষণা কৰাক লৈও স্বাভাৱিকতে আনন্দিত হোৱা বুলি ডঃ গোস্বামীয়ে কয়। অনাগত দুটা বছৰত শংকৰদেৱৰ ৰচনাৱলী, হিন্দী ইংৰাজী ভাষালৈ অনুবাদ কৰাৰ লগতে শিশুসকলৰ বাবে ভ্ৰাম্যমান পুথিভঁড়ালৰ ব্যৱস্থা কৰা হ'ব বুলিও ড০ গোস্বামীয়ে অভিভাষণত উল্লেখ কৰে।

এই সভাতে সন্মানীয় অতিথি হিচাপে নেপালৰ ত্ৰিভূৱন বিশ্ববিদ্যালয়ৰ অধ্যাপক মাধৱ পোখৰেলে অংশগ্ৰহণ কৰাৰ লগতে সন্মানীয় অতিথি হিচাপে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়া, কনক সেন ডেকা, ৰংবং টেৰাং, ইমৰাণ শ্বাহ, ডঃ ধ্ৰুৱজ্যোতি বৰা, ডঃ পৰমানন্দ ৰাজবংশী, কুলধৰ শইকীয়া আৰু প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ চন্দ্ৰ টাছাই অংশগ্ৰহণ কৰে। একেখন সভাতে আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জল কুমাৰ ভট্টাচাৰ্য্যই অংশগ্ৰহণ কৰে।

পাঠশালা অধিবেশনৰ পৰা আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে এইদৰে কয় ঃ

বাইট

আজি পুৱা **ধ্ৰুপদী অসমীয়া ভাষা** শীৰ্ষক এখন আলোচনা চক্ৰৰে আজিৰ কাৰ্যক্ৰমণিকাৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অৰ্পনা কোঁৱৰে উদ্বোধন কৰা আলোচনাসত্ৰখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক কনক চন্দ্ৰ চহৰীয়াই সঞ্চালনা কৰে। আলোচনাসত্ৰখনত গৱেষক, সাহিত্যিক, লিপি বিশেষজ্ঞ অশোক শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ পুৰাতত্ব বিভাগৰ অধ্যাপক ড° মঞ্জিল হাজৰিকা আৰু পশ্চিমবংগৰ বিশ্ব ভাৰতী  বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাৰপ্ৰাপ্ত প্ৰধান ড° সংগীতা শইকীয়াই আলোচক হিচাপে অংশগ্ৰহণ কৰে। আজি তৃতীয় দিনাৰ কাৰ্যসূচীতো হাজাৰ হাজাৰ লোকৰ সমাগম হৈছে বুলি আমাৰ আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়ে।

পাঠশালাত হৈ থকা সাহিত্য সভাৰ অধিবেশনৰ মাজতে তৰুণ কবি লেখক অভিজিত গগৈলৈ অসম সাহিত্য সভাৰ যুৱ বঁটা ঘোষণা কৰা হৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি মৃনালিনী দেৱীলৈ সাহিত্য সভাই জীৱনযোৰা সাহিত্য সেৱা সন্মান আগবঢ়াইছে। পৰহিলৈ পাঠশালাৰ অধিবেশন প্ৰাঙ্গনতে দুয়োকে  অসম সাহিত্য সভাই এই সন্মান আনুষ্ঠানিকভাৱে আগবঢ়াব।

০০০০

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই ADVANTAGE ASSAM শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। সন্মিলনখন সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে বৈঠকখনত পৰিকল্পনা প্ৰস্তুত কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰৰ ভাৱাদৰ্শৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰা পৰিকল্পনাসমূহৰ ৰূপায়ণ সন্দৰ্ভত বৈঠকখনত আলোচনা কৰা হয়। বৈঠকখনত অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিঙকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখাৰ ৩২ সংখ্যক অধিৱেশনৰ তৃতীয় দিনা আজি বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। যোৱা ৩১ জানুৱাৰীৰ পৰা অনুষ্ঠিত অধিৱেশনৰ আজি অন্তিম দিনা ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱাৰ লগতে মুকলি সভাও অনুষ্ঠিত হয়। আজি সন্ধিয়া মহিলাসকলে গুৰুজনা ৰচিত ভাওনা প্ৰদৰ্শন কৰিব। ভাগী ধোপাবৰ আঞ্চলিক শাখাৰ উদ্যোগত শাখাৰ নামঘৰ প্ৰাংগণত অনুৰ্ষ্ঠিত এই অধিৱেশনত শিশু, মহিলা, যুৱক-যুৱতীৰ লগতে বহুসংখ্যক ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰিছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বসন্ত পঞ্চমী আৰু সৰস্বতী পূজা উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শিক্ষা আৰু জ্ঞানৰ সৈতে জড়িত এই উৎসৱে দেশৰ সকলো নাগৰিকৰ বাবে সুখ, সমৃদ্ধি আৰু প্ৰজ্ঞা কঢ়িয়াই অনাৰ কামনা কৰে। এই দিনটোৰ তাৎপৰ্য বিশ্লেষণ কৰি ৰাষ্ট্ৰপতিয়ে ভাৰতক বিশ্বৰ জ্ঞানকেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰাৰ্থনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হ'ব। অৱশ্যে কোনো কোনো অঞ্চলত আজিও সৰস্বতী পূজা পালন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান প্ৰতিষ্ঠানত এই পূজাৰ বাবে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে। মহানগৰীৰ বজাৰসমূহ মৃন্ময় প্ৰতিমা আৰু পূজাৰ সামগ্ৰীৰে ভৰি পৰা পৰিলক্ষিত হৈছে। প্ৰতিমাসমূহ বেদীত প্ৰতিষ্ঠাৰ বাবে লৈ যোৱাৰ পৰিপ্ৰেক্ষিতত মৃৎ শিল্পীসকলৰো দীৰ্ঘদিনীয়া ব্যস্ততাৰ অন্ত পৰিছে।

০০০০

দৰং জিলাৰ মঙলদৈ টাউন ক্লাবৰ দুদিনীয়া শতবৰ্ষ সামৰণি অনুষ্ঠানৰ আজি দ্বিতীয় দিনা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৰা অসমভিত্তিক চাইকেল চালনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত গুৱাহাটীৰ সুমন জ্যোতি দাসে প্ৰথম স্থান দখল কৰে। ৰাজ্যিক ভলীবল খেলুৱৈ গোবিন্দ বাগলাৰীয়ে এই প্ৰতিযোগিতা মুকলি কৰে। প্ৰতিযোগিতাত মুঠ ৪৭ গৰাকী খেলুৱৈয়ে যোগদান কৰে। ইয়াৰ পূৰ্বে কালি অনুষ্ঠিত সদৌ অসম ভিত্তিক প্ৰাইজমানি মাৰাথন প্ৰতিযোগিতাত গোলাঘাটৰ টিখেশ্বৰ কুৰ্মীয়ে প্ৰথম স্থান দখল কৰে।

০০০০

ভাৰতে ১৯ বছৰ অনুৰ্ধ আই চি চি মহিলাৰ টী-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বিজয়ী খিতাপ দখল কৰিছে। মালয়েছিয়াৰ কোৱালা লামপুৰৰ বায়ুয়েমাছ্ অ'ভেল ষ্টেডিয়ামত অনুষ্ঠিত চূড়ান্ত খেলখনত ভাৰতে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰে। ভাৰতে একেৰাহে দ্বিতীয়বাৰৰ বাবে এই খিতাপ দখল কৰিছে। প্ৰথমে বেট ধৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৮২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত  গংগাদি তৃষাৰ অপৰাজিত ৪৪ ৰানৰ সহায়ত ভাৰতে ১২ অ'ভাৰতে ৮৩ ৰান সংগ্ৰহ কৰি নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। তৃষাক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰতৰ হৈ চানিকা চলকেয়ে ২৬ ৰানৰ বৰঙণি আগবঢ়াই অপৰাজিত হৈ  থাকে। দক্ষিণ আফ্ৰিকাৰ হৈ মিয়েকে ভেন বুৰ্ষ্টে সৰ্বাধিক ২৩ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ গংগাদি তৃষাই তিনিটা আৰু বৈষ্ণৱী শৰ্মা, আয়ুসী শুক্লা তথা পাৰোনিকা ছিছ'দিয়াই দুটাকৈ উইকেট দখল কৰে। শ্ববনম এম ডি ছাকিলে এটা উইকেট দখল কৰে। ভাৰতৰ গংগাদি তৃষাই প্ৰতিযোগিতাত মুঠ ৩০৯ ৰান  সংগ্ৰহ কৰি প্লেয়াৰ অব্ দা টুৰ্ণামেণ্ট খিতাপ লাভ কৰে। আনহাতে, বৈষ্ণৱী শৰ্মাই ছখন খেলত হেট্ৰিক কৰি সৰ্বাধিক ১৭ টা উইকেট দখল কৰে।

০০০০

ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ ভাৰোত্তোলক মৃদুস্মিতা বৰুৱাই আজি ৰূপৰ পদক অৰ্জন কৰে। ভাৰোত্তোলকগৰাকীয়ে ৮৭ কিলোগ্ৰাম শাখাত ভাগ লৈ স্নেটছত ৯৫ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৩ কিলোগ্ৰাম ভাৰোত্তোলনেৰে ৰূপৰ পদক দখল কৰিবলৈ সক্ষম হৈছে। মৃদুস্মিতা বৰুৱাৰ সফলতাৰে উত্তৰাখণ্ডত চলি থকা ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ পদক ১৩ টালৈ বৃদ্ধি পাইছে। আজি কমনৱেল্থ গেমছত লন বলত পদক লাভ কৰা নয়নমণি শইকীয়াও খেলি আছে। একেটা প্ৰতিযোগিতাৰ মহিলাৰ দলীয় শাখাতো আজি অসম দলে প্ৰতিদ্বন্দিতা কৰিছে। আজিৰ দিনটোতে অসমৰ অলিম্পিয়ান বক্সাৰ শিৱ থাপা আৰু আন্তৰাষ্ট্ৰীয় মহিলা বক্সাৰ অংকুশিতা বড়োৱে ৰাষ্ট্ৰীয় খেলৰ অভিযান আৰম্ভ কৰিছে। অংকুশিতা বড়োৱে ৬৬ কিলোগ্ৰাম শাখাত ভাগ লৈ কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। একেদৰে শিৱ থাপাইও ৬৩ দশমিক ৫ পইণ্ট কিলোগ্ৰাম শাখাত, আইকন মিলিয়ে মহিলাৰ ৫৪ কিলোগ্ৰাম শাখাত প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

অসমে কালি ৩টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰে ভিতৰত অসমে সাঁতোৰত দুটা, ভাৰোত্তলনত আৰু উশ্বুত একোটাকৈ পদক অৰ্জন কৰে। বিক্ৰম  চাংমাই পুৰুষৰ ২০০ মিটাৰ বাটাৰফ্লাইত ৰূপৰ পদক লাভ কৰে আৰু মহিলাৰ একেটা শিতানত আস্থা চৌধুৰীয়ে ব্ৰঞ্জৰ পদক হস্তগত কৰে। ভাৰোত্তোলনত সুদিত্য বৰুৱাই কালি অসমক তৃতীয়টো পদক দিয়ে। সুদিত্যই পুৰুষৰ ৮৯ কিলোগ্ৰাম ওজন শাখাত স্নেছ্  শিতানত ১৪১ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্ক শিতানত ১৭৮ কিলোগ্ৰাম ভাৰোত্তোলন কৰি ৰূপৰ পদক লাভ কৰে। একেদৰে ক্ষুদ্ৰ পাংগিঙে উশ্বুৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ চান্দা ফ্ৰিষ্টাইলৰ ফাইনেলত পৰাজিত হৈ ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হয়।

ইপিনে, অসমৰ পুৰুষ ফুটবল দলটোৱে উত্তৰাখণ্ডক ১-০ গ'লত পৰাস্ত কৰি ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ফুটবলৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ অসমে মিজোৰামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষণীয়ভাৱে অসমৰ ফুটবল দলটোৱে সুদীৰ্ঘ ১৮ বছৰৰ পিছত এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অসম দলে ২০০৭ চনত গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণৰ পদক অৰ্জন কৰিছিল।

০০০০

উত্তৰ প্ৰদেশৰ চাহাৰনপুৰ ক্ৰীড়া ষ্টেডিয়ামত অহা ১২ ফেব্ৰুৱাৰীৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ ৰাজ্যিক পৰ্যায়ৰ সমন্বয় ছোৱালীৰ ছাব জুনিয়ৰ বক্সিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দেশৰ সকলো ৰাজ্যই অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাৰ

বাবে ইতিমধ্যে জিলা আৰু সংমণ্ডল পৰ্যায়ত প্ৰস্তুতি আৰম্ভ হৈছে। জিলা আৰু বিভাগ পৰ্যায়ত নিৰ্বাচিত খেলুৱৈসকলক ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে প্ৰেৰণ কৰা হ'ব। ৭ ফেব্ৰুৱাৰীত বিভাগ পৰ্যায়ৰ বাছনি প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব।

০০০০

দৰং জিলাৰ দলগাঁও থানাৰ অন্তৰ্গত শিলবৰী আৰু কৌপাটি সংযোগী গড়কাপ্তানী পথত সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী মহিলাসহ মুঠ দুগৰাকী লোক নিহত হোৱাৰ লগতে দুটি শিশু আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে শিলবৰীৰ পৰা কৌপাটি অভিমুখে গৈ থকা মটৰ চাইকেলখনক বিপৰীত দিশৰ পৰা অহা এখন মালবাহী ট্ৰাকে খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত মটৰ চাইকেলখনৰ দুগৰাকী আৰোহী থিতাতে নিহত হয়। আহত শিশু দুটিক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

০০০০

সমাপ্ত